**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 09-06-2026** **Time : 1910 PM**

***Assamese Evening Bulletin***

**----------------------------**

## ***Headlines***

১। যোৱা ১২ বছৰত ভাৰতৰ বিদেশ নীতিত গুৰুত্বপূৰ্ণ পৰিৱৰ্তন হৈছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

২। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে দেশত জল সংৰক্ষণ আৰু জলসম্পদ ব্যৱস্থাপনা সুদৃঢ়কৰণৰ বাবে গ্ৰহণ কৰা বিভিন্ন প্ৰকল্পৰ পৰ্যালোচনা কৰিছে।

৩। কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আজি ২১ জুনত পুনৰ হ'বলগীয়া নীটৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰে।

৪। অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আজি ইউৰোপীয় সংঘৰ ৰাষ্ট্ৰদূত হাৰৱে ডেলফিনৰ সৈতে গুৱাহাটীত দ্বিপাক্ষিক আলোচনাত মিলিত হয়।

*আৰু*

৫। পাকিস্তান অধ্যুষিত জম্মু-কাশ্মীৰত প্ৰতিবাদকাৰী আৰু সুৰক্ষা বাহিনীৰ মাজত হোৱা সংঘৰ্ষত ৩০জনতকৈও অধিক লোকে প্ৰাণ হেৰুৱাইছে।

০০০০০০০

যোৱা ১২ বছৰত ভাৰতৰ বিদেশ নীতিত গুৰুত্বপূৰ্ণ পৰিৱৰ্তন হৈছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে কৈছে যে ব্ৰেণ্ড ইণ্ডিয়া আৰু গোলকীয় স্তৰত ভাৰতৰ স্থিতি যথেষ্ট শক্তিশালী হৈছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছৱালে কৈছে যে ভাৰত সংকটৰ এই সময়ত, গ্লোবেল ছাউথ হিচাপে পৰিচিত অৰ্থনৈতিক আৰু ঔদ্যোগিক দিশৰ পৰা ৰাষ্ট্ৰসমূহৰ কণ্ঠ হিচাপে পৰিগণিত হৈছে। তেওঁ কয় যে ভাৰতে আন্তঃৰাষ্ট্ৰীয় সৌৰ মিত্ৰজোঁট আৰু আন্তঃৰাষ্ট্ৰীয় স্তৰত ইউ পি আইৰ দৰে ডিজিটেল লেনদেনৰ মাধ্যমসমূহৰ জৰিয়তে সদায় ৰাষ্ট্ৰৰ হিতৰ বিষয়টোক বিশ্বৰ কল্যাণৰ সৈতে সংযোগ কৰিছে।

০০০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে সমগ্ৰ দেশত জল সংৰক্ষণ আৰু জলসম্পদ ব্যৱস্থাপনা সুদৃঢ়কৰণৰ বাবে গ্ৰহণ কৰা বিভিন্ন উদ্যম আৰু প্ৰকল্পৰ আজি পৰ্যালোচনা কৰে। উপ-ৰাষ্ট্ৰপতিৰ সচিবালয়ে প্ৰকাশ কৰা মতে বৈঠকত শ্ৰীৰাধাকৃষ্ণণক আন্তঃৰাজ্যিক নৈ সংযোগ ব্যৱস্থাকে ধৰি আন্তঃনৈ সংযোগকৰণ প্ৰকল্পৰ বাবে লোৱা ব্যৱস্থা আৰু নমামী গংগেৰ দৰে গুৰুত্বপূৰ্ণ কাৰ্যসূচীৰ বিষয়ে অৱগত কৰোৱা হয়। বৈঠকত শ্ৰীৰাধাকৃষ্ণণে কয় যে নৈ আন্তঃসংযোগকৰণ ব্যৱস্থাই পানীৰ নাটনি দূৰ কৰা, খৰাং সমস্যাৰ সমাধান, জলসিঞ্চন ব্যৱস্থাৰ সম্প্ৰসাৰণ আৰু সন্তুলিত আঞ্চলিক উন্নয়ন সুনিশ্চিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। তেওঁ লগতে কেন-বেট'ৱা সংযোগ প্ৰকল্পৰ দৰে বৰ্তমানৰ গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় জল আন্তঃগাঁথনি প্ৰকল্পসমূহ নথিপত্ৰ আৰু দলিল জৰিয়তে বিস্তৃতভাৱে সংৰক্ষিত ৰাখিবলৈ পৰামৰ্শ আগবঢ়ায়। দেশৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত জল ব্যৱস্থাপনাৰ ক্ষেত্ৰত ভৱিষ্যদৰ্শী আৰু সহযোগিতামূলক দৃষ্টিভংগীৰ আৱশ্যকতাতো তেওঁ গুৰুত্ব আৰোপ কৰে। শ্ৰীৰাধাকৃষ্ণণে লগতে জল সংৰক্ষণ ব্যৱস্থাৰ সুদৃঢ়কৰণ আৰু সমূহীয়া দৃষ্টিভংগীৰ জৰিয়তে ভূগৰ্ভৰ পানীৰ স্তৰৰ পুনৰুজ্জীতকৰণৰ উদ্দেশ্যে জল শক্তি বিভাগে ৰূপায়ণ কৰা জল সঞ্চয়

জনভাগিদাৰী উদ্যমৰ ভূয়সী প্ৰশংসা কৰে। বৈঠকত কেন্দ্ৰীয় জল শক্তি মন্ত্ৰী চি আৰ পাটিল, ৰাজ্যমন্ত্ৰী ড০ ৰাজভূষণ চৌধৰী আৰু মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আজি ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাৰ মুখ্য কাৰ্যালয় পৰিদৰ্শন কৰে আৰু অহা ২১ জুনত পুনৰ হ'বলগীয়া চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমত নামভৰ্তিৰ পৰীক্ষা, নীটৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰে। নতুন দিল্লীস্থিত ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাৰ মুখ্য কাৰ্যালয়ৰ বাহিৰত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰে সম্পূৰ্ণ গোপনীয়তা বৰ্তাই ৰাখি প্ৰশ্নকাকত প্ৰস্তুত কৰাৰ পৰা সকলো প্ৰক্ৰিয়াৰ ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ ভিতৰত পৰীক্ষণ সামগ্ৰী পৰীক্ষা কেন্দ্ৰলৈ সঠিক সময়ত যোগান নিশ্চিত কৰাৰ দৰে বিষয়সমূহ সামৰি লোৱা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে চৰকাৰে সকলো ধৰণৰ আঁসোৱাহ ৰোধ কৰাৰ বাবে ৰাজ্যসমূহৰ সৈতে সমন্বয় ৰক্ষা কৰি আছে। শ্ৰীপ্ৰধানে কয় যে এই ক্ষেত্ৰত সম্ভাব্য প্ৰত্যাহ্বান ৰোধ কৰাৰ বাবে চোৰাংচোৱা সংস্থা আৰু কেন্দ্ৰীয় তদন্ত সংস্থাসহ সকলো চাইবাৰ সুৰক্ষা সম্পদৰ সহায় লোৱা হৈছে।

০০০০০০০

দিল্লীৰ এখন আদালতে আজি চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ পৰীক্ষা নীটৰ প্ৰশ্নকাকত ফাদিল গোচৰত অভিযুক্ত মনীষ ৰাঘমাৰেৰ জামিন আবেদন অগ্ৰাহ্য কৰে। চি বি আয়ে বৰ্তমান তদন্ত কৰি থকা গোচৰটোৰ দুয়ো পক্ষৰ যুক্তিতৰ্ক শুনাৰ পাছত ৰাউজ এভিনিউ আদালতে অভিযুক্তজনৰ জামিন আবেদন প্ৰত্যাখ্যান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

০০০০০০০

অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আজি ইউৰোপীয় সংঘৰ ৰাষ্ট্ৰদূত হাৰ্ৱে ডেলফিনৰ সৈতে গুৱাহাটীত দ্বিপাক্ষিক আলোচনাত মিলিত হয়। এই আলোচনাত ৰাজ্যখনৰ মুখ্য সচিব ড° ৰবি কোটাৰ লগতে ইউৰোপীয় সংঘৰ প্ৰতিনিধিসকল উপস্থিত থাকে। মুখ্যমন্ত্ৰীয়ে ইউৰোপীয় সংঘৰ প্ৰতিনিধিৰ সৈতে অসমলৈ অহা ভাৰতস্থিত ইউৰোপীয় ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ সংঘ - এফ ই বি আই, ইণ্ডিয়াৰ সৈতেও ফলপ্ৰসূ আলোচনাত মিলিত হয়। এই আলোচনাকালত এখন বুজাবুজিৰ চুক্তিও স্বাক্ষৰ কৰা হয়। ইউৰোপৰ ২৫০ টাৰো অধিক প্ৰতিষ্ঠান আৰু ছহেজাৰৰো অধিক ব্যৱসায়িক সংযোগক প্ৰতিনিধিত্ব কৰা এফ ই বি আইৰ সৈতে অংশীদাৰিত্বৰ জৰিয়তে অসমৰ যুৱ শক্তি, কৃষক আৰু মহিলা উদ্যমীসকলৰ বাবে সম্ভাৱনাৰ নতুন দুৱাৰ মুকলি হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। দক্ষ মানৱ সম্পদ, উদ্যোগ নীতি আৰু অনুকুল উদগনি নীতিৰ জৰিয়তে অসমে ইতিমধ্যে নৱীকৰণযোগ্য শক্তি, কৃষি প্ৰ-সংস্কৰণকে ধৰি ভৱিষ্যমুখী খণ্ডত বিশ্বমানৰ বিনিয়োগ আৰু উদ্যোগৰ বাবে আকৰ্ষণীয় স্থলী হিচাপে পৰিগণিত হৈছে বুলি ড° শৰ্মাই উল্লেখ কৰে। ইয়াৰ আগেয়ে ইউৰোপীয় সংঘৰ প্ৰতিনিধিৰ উপস্থিতিত 'ব্লু ভেলিজ ক্লাষ্টাৰ' শীৰ্ষক এখন কৰ্মশালা অনুষ্ঠিত হয়।

এই কৰ্মশালাত দেশৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সচিব, বেলজিয়ামৰ ৰাষ্ট্ৰদূত, চুবুৰীয়া দেশ ভূটানৰ প্ৰতিনিধিসকল উপস্থিত থাকে। কৰ্মশালাত মূলতঃ অসম ৰাইজিং – দেশৰ উত্তৰ পূৰ্বাঞ্চলৰ কৌশলগত প্ৰৱেশদ্বাৰ, চাহৰ পৰা চিপছলৈ ঃ অসমৰ পৰা বিশ্বব্যাপি মূল্যশৃংখলা গঢ়ি তোলা আৰু অসম ২০৩৫ ঃ বিকাশ, উদ্ভাৱন আৰু বহনক্ষম ভৱিষ্যতৰ বাবে যৌথ দৃষ্টিভংগী শীৰ্ষক বিষয়বস্তু সন্দৰ্ভত আলোকপাত কৰা হয়।

উল্লেখযোগ্য যে এই 'ব্লু ভেলী ক্লাষ্টাৰ'ৰ জৰিয়তে ইউৰোপৰ সৈতে অসমৰ বাণিজ্য শৃংখল গঢ়ি তোলাৰ উদ্যোগ লোৱা হৈছে।

০০০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে অধিক লাভৰ প্ৰতিশ্ৰুতি প্ৰদান কৰা এটা বিনিয়োগ মঞ্চৰ প্ৰতি সমৰ্থন কৰা বুলি সামাজিক মাধ্যমযোগে প্ৰচাৰ হোৱা ভিডিঅ' চৰকাৰে খণ্ডন কৰিছে। প্ৰেছ্ ইনফৰমেচন ব্যুৰোৰ তথ্য পৰীক্ষণ গোটে ভিডিঅ'টো ভুৱা আৰু কৃত্ৰিম বুদ্ধিমত্তা প্ৰযুক্তি ব্যৱহাৰ কৰি প্ৰস্তুত কৰা বুলি প্ৰকাশ কৰিছে। গোটটোৱে লগতে বিত্তমন্ত্ৰীগৰাকীয়ে তেনে কোনো আঁচনিৰ প্ৰতি সমৰ্থন আগবঢ়োৱা নাই বুলি স্পষ্ট কৰি দিছে। অনলাইন ব্যৱস্থাৰে জনসাধাৰণক প্ৰৱঞ্চনা কৰাৰ উদ্দেশ্যে এনে ধৰণৰ ভুৱা ভিডিঅ' প্ৰচাৰ কৰা হয় বুলি প্ৰেছ্ ইনফৰমেচন ব্যুৰোৰ তথ্য পৰীক্ষণ গোটে প্ৰকাশ কৰিছে। চৰকাৰে জনসাধাৰণক সদায় আনুষ্ঠানিক সূত্ৰৰ জৰিয়তে এনে ধৰণৰ দাবীৰ সত্যাসত্য নিৰূপণ কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০

প্ৰধানমন্ত্ৰী সুৰক্ষিত মাতৃত্ব অভিযানৰ ১০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে প্ৰতিটো নতুন মাতৃ গৰ্ভত জীৱনৰ আৰম্ভণি ঘটে আৰু এগৰাকী মাতৃৰ গৰ্ভাৱস্থাৰ প্ৰতিটো পৰ্যায়ত সুৰক্ষিত, সুস্থ আৰু সন্মানজনক পৰিচৰ্যাৰ অধিকাৰ আছে বুলি মন্তব্য কৰিছে। মন্ত্ৰীগৰাকীয়ে আজি সামাজিক মাধ্যমযোগে কয় যে যোৱা দশকত নিয়মীয়া স্বাস্থ্য পৰীক্ষা, বিশেষজ্ঞৰ পৰামৰ্শ আৰু উন্নত মাতৃৰ স্বাস্থ্যসেৱাৰ জৰিয়তে এই উদ্যম গণ আন্দোলনলৈ পৰিগণিত হৈছে। তেওঁ কয় যে এয়া কেৱল এখন আঁচনিয়েই নহয়, বৰং প্ৰতিগৰাকী মাতৃ আৰু গৰ্ভস্থ শিশুৰ বাবে সুস্থ ভৱিষ্যতৰ প্ৰতি চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ প্ৰতীক। এই ভৱিষ্যদৰ্শী উদ্যমে বিগত ১০ বছৰত দেশৰ মাতৃত্বকালীন স্বাস্থ্য যাত্ৰাক গঢ় দিছে আৰু লাখ লাখ মাতৃৰ জীৱনলৈ ইতিবাচক পৰিৱৰ্তনৰ মাধ্যম হৈ পৰিছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০

পাকিস্তান অধ্যুষিত জম্মু-কাশ্মীৰত আজি প্ৰতিবাদকাৰী আৰু সুৰক্ষা বাহিনীৰ মাজত হোৱা সংঘৰ্ষত ৩০জনতকৈও অধিক লোকৰ মৃত্যু হোৱাৰ লগতে প্ৰায় ২০০ গৰাকী আহত হৈছে। জানিব পৰা মতে কৰ্তৃপক্ষই জইণ্ট আৱামী একচন কমিটী, জে এ এ চিৰ ওপৰত প্ৰতিবন্ধকতা আৰোপ কৰাৰ পাছতেই এই ঘটনা সংঘটিত হয়। উল্লেখযোগ্য যে জে এ এ চি এটা আগশাৰীৰ অসামৰিক সামাজিক মিত্ৰজোঁট, যিয়ে পাকিস্তান অধ্যুষিত কাশ্মীৰত আৰ্থিক আৰু ৰাজনৈতিক ওজৰ-আপত্তিক কেন্দ্ৰ কৰি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাৰ বাবে উচটনি দিছে। তীব্ৰ উত্তেজনাৰ মাজতে ৰাৱালকোট আৰু মুজাফ্ফৰবাদত প্ৰতিবাদকাৰী আৰু সুৰক্ষা বাহিনীৰ মাজত হোৱা তুমুল সংঘৰ্ষৰ পাছত যোগাযোগ ব্যৱস্থা বিচ্ছিন্ন কৰাৰ কাৰণেই প্ৰতিবাদী কাৰ্যসূচী অব্যাহত আছে। অঞ্চলটোৰ শেহতীয়া স্থিতি অতি জটিল হৈ আছে, কিয়নো পাকিস্তানৰ বিৰোধিতাত শ-শ প্ৰতিবাদকাৰী ৰাজপথলৈ ওলাই আহিছিল। ফলত ভীমবৰ আৰু কোডলীৰ দৰে চহৰসমূহৰ জীৱন যাত্ৰা সম্পূৰ্ণৰূপে ব্যাহত হৈছে।

০০০০০০০

ডুবাইত সোমবাৰে সংঘটিত পথ দুৰ্ঘটনাত নিহত সাতজন লোকৰ ভিতৰত উত্তৰ প্ৰদেশ আৰু তেলেংগেনাৰ তিনিগৰাকীকৈ শ্ৰমিক আছে। দুৰ্ঘটনাত নিহত আনজন লোক শ্ৰীলংকাৰ নাগৰিক। দুৰ্ঘটনাত আহত আঠজন ভাৰতীয়ৰ ভিতৰত পাঁচজনক চিকিৎসাৰ অন্তত ঘৰলৈ যাবলৈ দিয়া হৈছে। তিনিজন এতিয়াও চিকিৎসাধীন হৈ আছে।

০০০০০০০

সমাপ্ত